**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-09-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

লখিমপুৰত আজি ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠক অনুষ্ঠিত হৈছে। এই বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা হৈছে। চাৰিদিনীয়া ভ্ৰমণসূচীৰে ৫ খন জিলালৈ যোৱা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা কালি বিয়লি লখিমপুৰত উপস্থিত হয়।

কেবিনেটৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে লখিমপুৰ জিলাৰ চাবতিত নিৰ্মীয়মান আন্তঃৰাজ্যিক বাছ আস্থান পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। ২২ বিঘা মাটিত নিৰ্মাণ কৰি থকা এই প্ৰকল্পটো সম্পূৰ্ণ হৈ উঠিলে অৰুণাচল প্ৰদেশৰ লগতে ৰাজ্যৰ আন জিলালৈ যাতায়াত ব্যৱস্থাত আন এক সংযোজন ঘটিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কামৰ অগ্ৰগতিৰ তদাৰক কৰি নিৰ্ধাৰিত সময়ত কাম সম্পূৰ্ণ কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। এই প্ৰকল্পটো ২০২৫ৰ আগষ্টত কাৰ্যক্ষম হ'ব। আনহাতে লখিমপুৰ নগৰৰ সমীপৰ জাপিসজীয়াৰ জাৰৰ নিষ্কাশণ প্ৰকল্পও মুখ্যমন্ত্ৰীগৰাকীয়ে উদ্বোধন কৰে। উল্লেখযোগ্য যে এই প্ৰকল্পই সুমদিৰি নদীক সজীৱ কৰি তোলাৰ লগতে ১৬ বিঘা ভূমি পুনৰ উদ্ধাৰ কৰিব। এই ভূমিক নগৰীয়া, অৰণ্য তথা আৰ্বান ৰিট্ৰিট জ'নলৈ উন্নীত কৰা হ'ব। ইয়াৰ মূল লক্ষ্য হ'ব পৰিৱেশ বহনক্ষম কৰি তোলা। এই উদ্দেশ্যেৰে প্ৰায় ৫ দশমিক ৫ একৰ ভূমি সামৰি মিয়াৱাকি কৌশল ব্যৱহাৰ কৰি থলুৱা প্ৰজাতিৰ গছ ৰোপণ কৰা হ'ব। অঞ্চলটোত খোজকঢ়া আৰু চাইকেল চলোৱাৰ পথ, মৌলিক সা-সুবিধা, ফুট ক'ৰ্ট আৰু অন্যান্য বিনোদনৰ সুবিধা থাকিব।

মুখ্যমন্ত্ৰী ড° শৰ্মাই ৪০০ কোটি টকা ব্যয় সাপেক্ষ ঘাগৰ দলং নিৰ্মাণৰ অগ্ৰগতিৰ বুজ লৈ যোৱা বছৰ বানৰ বাবে দলঙৰ কাম ভবামতে কৰিব নোৱাৰাৰ বিপৰীতে এইবাৰ ৪২টা খুঁটাৰ পাইলিঙৰ কাম সম্পূৰ্ণ কৰা হ'ব বুলি মন্তব্য কৰে। ইপিনে মুখ্যমন্ত্ৰীগৰাকীয়ে নকাৰীৰ উৰণসেঁতু, ঘাগৰ দলং নিৰ্মাণৰ অগ্ৰগতিৰো বুজ লয়।

oooooooo

ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ নিৰ্দেশমৰ্মে আজি জামিৰা সমবায় সমিতিৰ অন্তৰ্গত কুমাৰণিছিগা জাগৃতি বৃদ্ধাশ্ৰমৰ আৱাসীসকলক ৰেচন কাৰ্ড বিতৰণ কৰা হয়। ডিব্ৰুগড় জিলাৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ ভাৰপ্ৰাপ্ত উপ-সঞ্চালক গৰাকীৰ নেতৃত্বত যোৱা যোগান বিভাগৰ এটা দলে আধাৰ কাৰ্ড থকা আৱাসীসকলক ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনত ৰেচন কাৰ্ড প্ৰদান কৰে। লগতে আয়ুষ্মান কাৰ্ড প্ৰদানৰো যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰে। আনহাতে জিলাখনৰ অন্তৰ্গত খনিকৰ ঠাকুৰ থানৰ পূজাশ্ৰী বৃদ্ধাশ্ৰম, হাতীমৰা আশা বৃদ্ধাশ্ৰম, খোৱাঙৰ কল্যাণ আশ্ৰমৰ আৱাসীসকলকো পৰ্যায়ক্ৰমে ৰেচন কাৰ্ড আৰু আয়ুষ্মান কাৰ্ড প্ৰদান কৰিব বুলি জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰিছে।

oooooooo

কেন্দ্ৰীয় জনজাতীয় পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী দুৰ্গাদাস উইকে দুদিনীয়া কাৰ্যসূচীৰে আজি তিনিচুকীয়া জিলাত উপস্থিত হৈছে। জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন সভাত সভাপতিত্ব কৰি তেওঁ জিলাখনত চলিত বিভিন্ন চৰকাৰী আঁচনিৰ কাম-কাজৰ পৰ্যালোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই পৰ্যালোচনা বৈঠকতে প্ৰতিগৰাকী বিষয়াক সকলো চৰকাৰী আঁচনিৰ বিষয়ে পুংখানুপুংখভাৱে জানি নিজৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে নিজেই ভালকৈ নাজানিলে আঁচনিসমূহ সুচাৰুৰূপে পৰিচালনা কৰাত সফল হ'ব নোৱাৰে বুলি মন্তব্য কৰে। কেন্দ্ৰীয় জনজাতীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী হিচাপে তেওঁ বহিঃৰাজ্যলৈ প্ৰব্ৰজন বা পলায়ন কৰা জনজাতীয় লোকসকলক সেই স্থানতে সকলো চৰকাৰী আঁচনিৰ সুবিধাসহ নাগৰিকৰ সম্পূৰ্ণ সা-সুবিধা লাভ কৰাতো নিশ্চিত কৰিবলৈ সংশ্লিষ্ট প্ৰশাসনক

আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰতিজন সচেতন সংবেদনশীল ব্যক্তিয়ে সামাজিক দায়বদ্ধতাৰে দেশ আৰু সমাজৰ কাৰণে অৰিহণা আগবঢ়া উচিত বুলি মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে বিয়লি কেইবাখনো কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ কাইলৈ ডিগবৈ তেল শোধনাগাৰ পৰিদৰ্শন কৰিব।

00000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ পুৱা ৭ বাজি ৫৫ মিনিটৰ পৰা ৫ মিনিটৰ এখন নতুন বুলেটিন প্ৰচাৰ কৰিব। কাইলৈ শিক্ষক দিৱসৰ পৰাই ডিব্ৰুগড় আৰু কাষৰীয়া জিলাসমূহৰ শ্ৰোতাসকলৰ আগ্ৰহৰ প্ৰতি সঁহাৰি জনাই এই বুলেটিন প্ৰচাৰ কৰা হ'ব।

00000000

কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশমৰ্মে মৰিগাঁও জিলাৰ জাগীৰোডৰ উপ-ডাকঘৰত আজি এখন বিশেষ সজাগতা সভা অনুষ্ঠিত হয়। ডাক বিভাগৰ বিভিন্ন লাভজনক আঁচনিৰ বিষয়ে জনসাধাৰণক অৱগত কৰাৰ উদ্দেশ্যে এই সজাগতা সভাৰ আয়োজন কৰা হৈছে। এই সভাৰ জৰিয়তে ডাক বিভাগৰ দ্বাৰা চৰকাৰে প্ৰদান কৰা আঁচনিসমূহৰ লাভ গ্ৰহণ কৰিবলৈ জনসাধাৰণক আহ্বান জনোৱা হয়। তদুপৰি দেশৰ বিভিন্ন প্ৰান্তত দেখা দিয়া চাইবাৰ অপৰাধৰ পৰা হাত সাৰি থকাৰ বাবে ল'বলগীয়া সাৱধানতা সম্পৰ্কেও বিশদভাৱে আলোচনা কৰা হয়। অনুষ্ঠানত জাগীৰোড উপ-ডাকঘৰৰ সহ-ডাকোৱাল মিতালী ধৰে ডাক বিভাগৰ আঁচনিসমূহৰ বিভিন্ন দিশসমূহৰ ৰাইজক অৱগত কৰে।

0000000

———অসমৰ সত্ৰ আৰু নামঘৰসমূহত আজি পুৱাৰে পৰা নাম-প্ৰসংগকে ধৰি ভিন ভিন কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৬ সংখ্যক তিৰোভাৱ তিথি পালন কৰা হৈছে। এই উপলক্ষে সত্ৰনগৰী **বৰপেটা**ত পুৱাৰে পৰা কীৰ্তন মহোৎসৱ অনুষ্ঠিত হৈছে। পুৱা গীত আৰু ভটিমাৰ অন্তত সত্ৰৰ মুখ্য পাঠকৰ নেতৃত্বত নৃত্য-প্ৰসঙ্গ অনুষ্ঠিত হোৱাৰ পাছতে ভাগৱত পাঠ, ঘোষা কীৰ্তন আৰু ব্যাহ কীৰ্তন সম্পন্ন হয়। বিয়লি বৃন্দাবন হাটীৰ ভকতসকলে কীৰ্তন মহোৎসৱ উপলক্ষে কৰভাৰ প্ৰদান কৰিছে। এই কৰভাৰত ভকতসকলে হাটীৰ প্ৰথা অনুসৰি চাউল, কাচকল, কোঁমোৰা, মিঠাতেল, পাণ-তামোল আদি প্ৰদান কৰে। আনহাতে, **বটদ্ৰৱা থান**ত শংকৰদেৱৰ তিৰোভাৱ তিথি উৎসৱটি 'গুৰু কীৰ্তন' হিচাপে পালন কৰা হয়। বটদ্ৰৱা থানৰ পৰম্পৰা অনুসৰি শ শ বছৰ ধৰি গুৰু কীৰ্তন উৎসৱ দুদিনীয়া কাৰ্যসূচীৰে পালন কৰা হয়। ধৰ্মীয় পৰম্পৰাৰে কালি আৰম্ভ হোৱা গুৰু কীৰ্তনত আজি দ্বিতীয় দিনা মঞ্জিৰা নাম, আইসকলৰ নাম, খোল-তাল প্ৰসংগ আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। ইফালে, পুৱাৰেপৰা ঊষা কীৰ্তনেৰে বটদ্ৰৱাৰ চৌপাশ হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰে।

ইফালে, **কোচবিহাৰৰ মধুপুৰ সত্ৰ**তো আজি দিনজোৰা কাৰ্যসূচীৰ গুৰুজনাৰ তিৰোভাৱ তিথি পালন কৰা হৈছে। একেদৰে ঐতিহাসিক **ঢেকীয়াখোৱা** বৰনামঘৰতো দিনজোৰা কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি উদযাপন কৰা হৈছে। এই উপলক্ষে পুৱাৰে পৰা বিভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱসকলে শৰাই নৈবদ্য লৈ গুৰুজনাৰ ওচৰত সেৱা আগবঢ়ায়।

সত্ৰপীঠ **মাজুলী**তো গুৰুজনাৰ তিৰোভাৱ তিথি উলহ-মালহেৰে পালন কৰা হৈছে। ঐতিহ্যমণ্ডিত নদীদ্বীপটোৰ সত্ৰ আৰু নামঘৰসমূহ পুৱাৰে পৰাই নাম-প্ৰসংগৰে মুখৰ হৈ পৰিছে। মাজুলীৰ ৩৫খন সত্ৰ আৰু তিনি শতাধিক নামঘৰ গুৰুজনাৰ তিথি উপলক্ষে হৰিনাম, কীৰ্তনৰ ধ্বনিৰে মুখৰ হৈ পৰিছে।

0000000

**সমাপ্ত**